সৰুপথাৰ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৭০ চন
SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

দ্বিতীয় বছৰ, পঞ্চম সংখ্যা (ছেপ্তেম্বৰ-অক্টোবৰ), ২০২৫, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। দ্বিতীয় বছৰ, পঞ্চম সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩১ অক্টোবৰ, ২০২৫, শুক্ৰবাৰ


## অসম প্ৰকাশন পৰিষদৰ উদ্যোগত 'মহাবিদ্যালয় গ্ৰন্থমেলা'

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সাহিত্যাচাৰ্য্য বিশ্বেশ্বৰ হাজৰিকা কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ সহযোগত সৰুপথাৰ মহাবিদ্যালয়ত ১৬ আৰু ১৭ অক্টোবৰত দুদিনীয়াকৈ অনুষ্ঠিত হ'ল 'মহাবিদ্যালয় গ্ৰন্থমেলা'। সৰুপথাৰ সমজিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ সৰুপথাৰ মহাবিদ্যালয়ত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত অনুষ্ঠিত হৈছিল গ্ৰন্থমেলা। প্ৰথম দিনৰ কাৰ্যসূচীত সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মণিপ্ৰভা বৰাই অসমৰ মহানায়ক, দুগদ্ৰষ্টা জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। সমান্তৰালকৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়াই গ্ৰন্থমেলাখনৰ শুভাৰম্ভ কৰে।



উল্লেখ্য যে, অসমৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠী অসম প্ৰকাশন পৰিষদে ২০২৫ বৰ্ষত অসমৰ ভিন্ন মহাবিদ্যালয়ত 'মহাবিদ্যালয় গ্ৰন্থমেলা' অনুষ্ঠিত কৰাৰ এক পদক্ষেপ হাতত লৈছিল। তাৰেই অংশ হিচাপে সৰুপথাৰ মহাবিদ্যালয়ত দুদিনীয়াকৈ অনুষ্ঠিত হৈছে গ্ৰন্থমেলা। প্ৰকাশন গোষ্ঠীৰ এই পদক্ষেপক সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কৃতজ্ঞতা প্ৰকাশ কৰে।■

## মায়াবিনী ৰাতিৰ বুকুত হেৰাই গ'ল জুবিন গাৰ্গ



জুবিন যুগৰ অৱসান। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী, হৃাটথ্ৰব জুবিন গাৰ্গৰ আকস্মিক দুৰ্ঘটনাত মৃত্যু হয়। লগে লগে এটা যুগৰ অৱসান ঘটে। ৫৩ বছৰীয়া দুৰন্ত শিল্পীগৰাকীৰ মহাপ্ৰয়াণে স্তব্ধ কৰিলে পোহৰমুখী এটা যাত্ৰা। ১৯ ছেপ্তেম্বৰ, ২০২৫ তাৰিখ শুক্ৰবাৰে চিৰ দিনৰ বাবে হেৰাই গ'ল জুবিন গাৰ্গ। গীতেৰে-সুৰেৰে লাখ লাখ অনুৰাগীৰ আমঠু শিল্পীগৰাকীয়ে ছিংগাপুৰত অনুষ্ঠিত চতুৰ্থ উত্তৰ-পূব ভাৰত মহোৎসৱ (এন ই আই এফ) ২০২৫ত অংশ ল'বলৈ গৈ অনাকাংক্ষিতভাৱে মৃত্যুক আকোৱালি লয়। ছিংগাপুৰত সাগৰত সাতুৰিবলৈ গৈ পানীত অচেতন হয় শিল্পীগৰাকী। লগে লগে গুৰুতৰ অৱস্থাত





ছিংগাপুৰৰ জেনেৰেল হাস্পতালত ভৰ্তি কৰোৱা হয় জুবিনক গাৰ্গক। শুক্ৰবাৰে দুপৰীয়া আহে সেই দুঃখবৰটো- জুবিন গাৰ্গ আৰু নাই।

অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰিয়ে সকলোকে আচৰিত কৰি তুলিছিল। দেশ বিদেশত জুবিন গাৰ্গৰ অনুৰাগীয়ে প্ৰিয় শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰি পাই শোকত মৰ্মাহত হৈছিল, সেই দিনটোৰ পৰাই সকলোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ ওলাই আহিছিল। শুক্ৰবাৰে সন্ধিয়া সৰুপথাৰ মহাবিদ্যালৰ ছাত্ৰ-ছাত্ৰীয়ে হাতে হাতে মম জ্বলাই জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে ২০ ছেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাতঃসভাত শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলে কণ্ঠশিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদগতি কামনা কৰি তেওঁৰ স্মৃতিচাৰণ কৰে। ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ পিছতেই তেখেতে ৰচনা কৰা *'মায়াবিনী ৰাতিৰ বুকুত'* শীৰ্ষক গীতটি যেন প্ৰাৰ্থনালৈ ৰূপান্তৰ হ'ল। চৌদিশে গুঞ্জৰিত হ'ল *'মায়াবিনী'* সংগীত।■

## *'সাহিত্যতত্ত্ব আৰু আলোচনা'* শীৰ্ষক বিষয়ত পাঠদান

১০ ছেপ্তেম্বৰ ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা আয়োজন কৰা হয় অতিথি অধ্যাপকৰ পাঠদান কাৰ্যসূচী। *'সাহিত্যতত্ত্ব আৰু আলোচনা'* শীৰ্ষক বিষয়ত পাঠদান আগবঢ়ায় চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাজিৰঙাৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ৰেৱত মহন্তই। উক্ত পাঠদান কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ববিতা দত্ত, অংশকালীন অধ্যাপক চয়নিকা গোঁহাই আৰু অসমীয়া বিভাগৰ পঞ্চম যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।■

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই উদ্বোধন কৰিলে 'সাহিত্যাচাৰ্য্য বিশ্বেশ্বৰ হাজৰিকা কেন্দ্ৰীয় গ্ৰন্থাগাৰ'

দৈয়াং- ধনশিৰিৰ পৃষ্ঠভূমিত গঢ় লৈ উঠা জ্ঞানৰ মন্দিৰ সৰুপথাৰ মহাবিদ্যালয়ে সুদীৰ্ঘ পঞ্চাশ বছৰৰো অধিক কাল আন্ধাৰ আকাশত পূৰ্ণিমাৰ জোন হৈ পোহৰ বিলাই আহিছে। ধনশিৰিবাসীৰ জনগণৰ হেঁপাহ আৰু মৰমৰ মহাবিদ্যালয়খনে শিক্ষা জগতত সোণালী সৌধ নিৰ্মাণ কৰি প্ৰতিষ্ঠা কালৰেপৰা বহুজনৰ জীৱন সমৃদ্ধ কৰিছে। জ্ঞানৰ আলোকেৰে তমসা দূৰ কৰি শিক্ষাৰ সোণালী ভেটি গঢ়ি তোলা মহাবিদ্যালয়খনৰ স্বৰ্ণীল যাত্ৰাপথত আৰু এটা নব্য সংযোজন 'ভাষাবিদ বিশ্বেশ্বৰ হাজৰিকা কেন্দ্ৰীয় গ্ৰন্থাগাৰ'। মহাবিদ্যালয়ৰ পুৰণি গ্ৰন্থাগাৰটি পুনৰ






নিৰ্মাণ কৰি সৰুপথাৰ অঞ্চলৰ বৰেণ্য সাহিত্যিক, শিক্ষাবিদ তথা-ভাষাবিদ প্ৰয়াত বিশ্বেশ্বৰ হাজৰিকাদেৱৰ নামেৰে নামকৰণ কৰা হৈছে।

শিক্ষা, জ্ঞান সমাজ জীৱনৰ অতুলনীয় শক্তি আৰু এই শক্তিৰ অন্যতম আৰু অনন্য প্ৰাণকেন্দ্ৰ হৈছে গ্ৰন্থাগাৰ। সৰুপথাৰ সমজিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ সৰুপথাৰ মহাবিদ্যালয়ৰ নৱ নিৰ্মিত গ্ৰন্থাগাৰ 'সাহিত্যাচাৰ্য্য বিশ্বেশ্বৰ হাজৰিকা কেন্দ্ৰীয় গ্ৰন্থাগাৰ' ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° জিতেন হাজৰিকাদেৱে শুভ উদ্বোধন কৰে।

উল্লেখ্য যে ধনশিৰি মহকুমাৰ (বৰ্তমান সৰুপথাৰ সমজিলা) বৰপথাৰ মৌজাৰ অন্তৰ্গত বাৰমুখীয়া গাওঁখনেই পণ্ডিত ভাষাবিদ বিশ্বেশ্বৰ হাজৰিকাৰ জন্মস্থান আছিল। সৰুপথাৰ মহাবিদ্যালয়ৰ নৱ-নিৰ্মিত সাহিত্যাচাৰ্য্য বিশ্বেশ্বৰ হাজৰিকা কেন্দ্ৰীয় গ্ৰন্থাগাৰ নামেৰে নামকৰণ কৰা ভৱনটি শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে সৰুপথাৰ সমষ্টিৰ বিধায়ক শ্ৰীযুত বিশ্বজিত ফুকন, স্বৰ্গীয় বিশ্বেশ্বৰ হাজৰিকাৰ সহধৰ্মিনী শ্ৰীযুতা লাবন্য হাজৰিকা, নুমলীগড় শোধনাগাৰ লিমিটেডৰ মুখ্য মহা প্ৰবন্ধক ড° কাজল শইকীয়া, নাগালেণ্ড গ্লোবেল ইউনিভাৰ্ছিটিৰ প্ৰাক্তন উপাচাৰ্য ড° হেমেন্দ্ৰ নাথ দত্ত, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, আৰু অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক শ্ৰীযুত ধৈৰ্য্য হাজৰিকা।■

## বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস

১০ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে সৰুপথাৰৰ 'আশাদীপ'ৰ উদ্যোগত গোলাঘাট জিলা স্বাস্থ্য সমিতিয়ে সৰুপথাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য কাৰ্যসূচীৰ অন্তৰ্গত 'বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস' উপলক্ষে খুবেই প্ৰয়োজনীয় আৰু স্পৰ্শকাতৰ এই বিষয়টোৰ সম্পৰ্কে এক মনোগ্ৰাহী অনুষ্ঠান আয়োজিত কৰে। অনুষ্ঠানটিত ডাঃ সন্তোষ কুমাৰ যাদৱ (এম.ডি, মানসিক স্বাস্থ্য), বুল্টি শইকীয়া (ক্লিনিকেল ছাইক'লজিষ্ট), ছেনিম চুলতানা ইছলাম (কাউন্সেলৰ, চিভিল হস্পিটেল গোলাঘাট), হৰজিত মৰাণ (প্ৰজেক্ট মেনেজাৰ, আশাদীপ) আৰু বৰ্ষা বৰঠাকুৰ (ছাইক'লজিষ্ট, আশাদীপ) উপস্থিত আছিল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল নিশ্চিতভাৱে এই কাৰ্যসূচীৰ দ্বাৰা উপকৃত হ'ব বুলি এই প্ৰচেষ্টা হাতত লোৱা হৈছে।■



## বিধানসভা সমষ্টি ভিত্তিক মেগা স্বাস্থ্য শিবিৰ

সৰুপথাৰ মহাবিদ্যালয়ৰ বৰ্ধিত কাৰ্যসূচীৰ অন্তৰ্গত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ প্ৰতি মাহৰ প্ৰথম শনিবাৰে কৰি অহা হৈছে। এইবাৰ ১৫ অক্টোবৰ, ২০২৫ তাৰিখে অসম চৰকাৰৰ 'শুশ্ৰূষা সেতু', ২০২৫ - জৰিয়তে ৰাজ্যজুৰি বিধানসভা সমষ্টিভিত্তিত আয়োজিত মেগা স্বাস্থ্য শিবিৰৰ অংশস্বৰূপে আজি সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সৰুপথাৰ মহাবিদ্যালয়ৰ চৌহদত এটি 'মেগা স্বাস্থ্য শিবিৰ' সম্পন্ন কৰা হয় ।আনুষ্ঠানিকভাৱে এই শিবিৰ মুকলি কৰে সন্মানীয় বিধায়ক শ্ৰীবিশ্বজিৎ ফুকন, গোলাঘাট জিলা আয়ুক্ত শ্ৰীপুলক মহন্ত, সমজিলা আয়ুক্ত শ্ৰীমানস জ্যোতি নাথ, নুমলীগড় শোধনাগাৰৰ মুখ্য মহাপ্ৰবন্ধক মিন্টু সন্দিকৈ ডাঙৰীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে। ৩০ গৰাকী বিশেষজ্ঞ চিকিৎসক, ১৫০ গৰাকী চিকিৎসা কৰ্মী, সৰুপথাৰ মহাবিদ্যালয়ৰ এন চি চি, এন এছ এছ স্বেচ্ছাসেৱকসকলৰ লগতে বিভিন্নজনৰ অক্লান্ত সহযোগত আজি সুকলমে শিবিৰৰ কাৰ্যসূচী সম্পন্ন হয়। ১৫০০গৰাকীতকৈও অধিক ১৮ বছৰৰ তলৰ শিশু ইয়াৰ দ্বাৰা উপকৃত হয়। ভিন ভিন ৰোগৰ নিৰ্ণায়ক পৰীক্ষা কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণ ব্যৱস্থা আৰু ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা হাতত লোৱা হয়।।■

# ছাত্ৰ-ছাত্ৰীৰ সাফল্য

যাত্ৰা অসীম অনন্ত...
ছাত্ৰ-ছাত্ৰীৰ সাফল্য

## সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী চয়নিকা গোঁহায়ে লাভ কৰে সন্মানীয় ডক্টৰেট ডিগ্ৰী

সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন কৃতী ছাত্ৰী চয়নিকা গোহাঁয়ে ***'ৰেংমা ভাষাঃ এটি ৰূপতাত্ত্বিক অধ্যয়ন'***শীৰ্ষক গৱেষণা সম্পূৰ্ণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অক্টোবৰ মাহত সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা সন্মানীয় শিক্ষকসকলে অভিনন্দন জ্ঞাপন কৰে। সমান্তৰালকৈ মহাবিদ্যলয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে প্ৰাক্তন ছাত্ৰীগৰাকীলৈ অভিন্দন জ্ঞাপন কৰে।■

## সদৌ অসম ভাৰোত্তোলন চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যলয়ৰ ছাত্ৰী দুংখাম চেং তুৰুঙৰ সাফল্য

১৮ ছেপ্তেম্বৰৰ পৰা ২১ ছেপ্তেম্বৰলৈ, ২০২৫ বৰ্ষত তেজপুৰত অনুষ্ঠিত ৫৩ সংখ্যক সদৌ অসম ভাৰোত্তোলন চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী দুংখাম চেং তুৰুঙে মহিলাৰ ৬৩ কেজি চিনিয়ৰ আৰু জুনিয়ৰ শাখাত ক্ৰমে স্বৰ্ণ আৰু ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ছাত্ৰ ছাত্ৰীগৰাকীৰ এই সফলতাই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক আনন্দিত কৰিছে। দুংখামৰ সফলতাক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।■

## সদৌ অসম ভাৰোত্তোলন চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ মানস প্ৰতিম সোণোৱালৰ সাফল্য

১৮ ছেপ্তেম্বৰৰ পৰা ২১ ছেপ্তেম্বৰলৈ, ২০২৫ তেজপুৰত অনুষ্ঠিত ৫৩ সংখ্যক সদৌ অসম ভাৰোত্তোলন চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ মানস প্ৰতিম সোণোৱালে পুৰুষৰ ১১০ কেজি চিনিয়ৰ আৰু জুনিয়ৰ দুয়োটা শাখাতে স্বৰ্ণপদক অৰ্জন কৰিবলৈ সক্ষম হয়। ছাত্ৰগৰাকীৰ এই সফলতাই স্বাভাৱিকতেই মহাবিদ্যালয় পৰিয়ালবৰ্গক আনন্দিত কৰিছে। সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে মানসলৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে ।■




ভাৰোত্তোলনত মানস প্ৰতিম সোণোৱাল



ভাৰোত্তোলনত দুংখাম চেং তুৰুং

## 'জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প - ২'ৰ অধীনত সৰুপথাৰ মহাবিদ্যালয়ত বাটৰ নাট প্ৰদৰ্শন

৯ অক্টোবৰ, ২০২৫ তাৰিখে অসম চৰকাৰৰ 'জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প - ২'ৰ অধীনত সৰুপথাৰ মহাবিদ্যালয়ত অসমৰ অভিনেতা নয়ন নিৰ্বাণ বৰুৱাৰ উদ্যোগত এখনি বাটৰ নাট প্ৰদৰ্শিত হয়। অতি প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ বিষয়টোক লৈ এনেদৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী সকলোকে সচেতন কৰাৰ প্ৰয়াস কৰে। বিশেষভাৱে প্ৰকৃতি সংৰক্ষণ, বন ধংস, বৃক্ষ ৰোপণ আদি বিষয়ৰ ওপৰতেই নাটখনৰ যোগেদি বাৰ্তা প্ৰেৰণ কৰিছে। নাটখনৰ সংশ্লিষ্ট সকলোলৈকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়াই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।■

# English Section

## Sarupathar College Holds Mental Health Awareness Programme

Sarupathar College, in collaboration with Ashadeep and the Internal Quality Assurance Cell (IQAC), organized a Mental Health Awareness Programme on 8th September, 2025. The resource person for the event, Ms. Barsha Borthakur, a psychologist, delivered an insightful lecture emphasizing the importance of mental well-being. She discussed various aspects of mental health, common psychological challenges faced by individuals, and shared effective coping strategies. The programme aimed to foster awareness and promote a positive attitude towards mental health among students and faculty members.■

## Commerce Department Hosts Second Campus Bazaar at Sarupathar College

The Department of Commerce, Sarupathar College, successfully organized the second edition of the Campus Bazaar on 10th October, 2025, within the college premises, creating a vibrant atmosphere of creativity, innovation, and enterprise. The event was inaugurated by Dr. Prapti Thakur, Principal of Sarupathar College, who lauded the initiative and encouraged students to develop entrepreneurial skills. The programme began with an address by Mr. Prasanta Poddar, Head of the Department of Commerce, who emphasized the importance of practical learning experiences in enhancing students' business acumen. The event aimed to promote entrepreneurship, creativity, and student engagement. Students of the Commerce Department participated enthusiastically by setting up stalls featuring food items, handmade crafts, stationery, and other creative products, while students from other departments joined as customers, adding to the event's lively spirit.

Organized in association with the Entrepreneurship Club, Finance Club, and Marketing Club, under the guidance of Dr. Sanjay Rizal, Dr. Pritom Sutradhar, and Ms. Anjali Yadav, the Campus Bazaar provided valuable hands-on experience in marketing, sales, and teamwork. The event, held for the second consecutive year, proved to be a resounding success, offering students a dynamic platform to showcase their talents and entrepreneurial zeal, transforming the college campus into a hub of youthful energy and innovation.■

## Sarupathar College Celebrates Teachers' Day with Enthusiasm and Respect

Sarupathar College celebrated Teachers' Day on 5th September, 2025, with great enthusiasm and reverence. The celebration was organized department-wise, where students conducted various programmes to express their gratitude and respect towards their teachers. The event also served as a tribute to Dr. Sarvepalli Radhakrishnan, the great teacher, philosopher, and former President of India, whose birth anniversary is observed as Teachers' Day across the nation. Through heartfelt performances and gestures, students acknowledged the invaluable role of teachers in shaping their lives, making the occasion both joyful and meaningful.■

# NSS Volunteers of Sarupathar College Lead Cleanliness Drive at Kushal Konwar Stadium

On 28th October, 2025, the NSS volunteers of Sarupathar College organized a cleanliness drive at the Kushal Konwar Stadium, Sarupathar, as part of their regular social service activities. The initiative was undertaken to prepare the stadium for the upcoming Inter-College Football Competition under Dibrugarh University.

During the drive, volunteers actively participated in cleaning tasks such as sweeping the premises, collecting plastic waste, and removing cow dung from the field and surrounding areas. Their efforts reflected a strong commitment to maintaining cleanliness and promoting environmental awareness. The programme not only contributed to beautifying the stadium but also encouraged the local community to uphold the importance of keeping public spaces clean. The NSS unit of Sarupathar College continues to play a vital role in promoting social responsibility and community welfare through such meaningful initiatives.■

# Sarupathar College Celebrates National Unity Day with Patriotic Fervour

Sarupathar College proudly celebrated National Unity Day on 30th October with great enthusiasm to mark the 150th birth anniversary of Sardar Vallabhbhai Patel, the Iron Man of India. The programme aimed to promote the spirit of national integrity and unity among students. The event began with an oath-taking ceremony in which teachers, students, NSS volunteers, and staff members pledged to uphold the values of unity and integrity inspired by Sardar Patel. As part of the celebration, a Pad Yatra (Run for Unity) was organized from Sarupathar College to Don Bosco School, Sarupathar, where around 200 students and volunteers participated, carrying placards and slogans highlighting the importance of national harmony and collective strength. The event reflected the college's commitment to fostering patriotism and unity among the youth.■

# One-Day Workshop on Financial Literacy

The Finance Club of Sarupathar College, in collaboration with the Department of Commerce and the Internal Quality Assurance Cell (IQAC), successfully organized a "**One Day Online Workshop on Financial Literacy**" on **6th September 2025**.

The workshop was conducted **in association with Market Ka Eklavya by NSDL**.

The objective of the workshop was to create awareness among students about the importance of financial literacy and to equip them with the necessary knowledge for better decision-making in the field of finance.

The workshop was coordinated by **Dr. Pritom Sutradhar, Assistant Professor, Department of Commerce, Sarupathar College**. Around **100 students of B.Com** enthusiastically participated in the program, making it a highly engaging and interactive session.

The resource person for the workshop was **Mr. Tushar Awasthy**, an eminent speaker associated with Market Ka Eklavya, NSDL. He addressed the participants on several key aspects of financial literacy, with a special focus on the **stock market, investment basics, risk management, and the importance of early financial planning**. His insightful presentation helped students gain practical knowledge and motivated them to develop financial discipline at a young age.

The session concluded with an interactive Q&A, where students actively participated by raising queries and sharing their views. The workshop received excellent feedback from the participants, who expressed their appreciation for the opportunity to learn about real-world financial concepts beyond the classroom.

Overall, the workshop proved to be an enriching experience and contributed significantly to enhancing the financial awareness of the students.■







## আলোকচিত্ৰ





National Unity Day






Campus Bazaar



Teachers' Day celebration



Mega Health Camp Organised at Sarupathar College



*'সাহিত্যতত্ত্ব আৰু আলোচনা'* শীৰ্ষক বিষয়ত অতিথি অধ্যাপকৰ পাঠদান



NSS volunteers of Sarupathar College organized a cleanliness drive at the Kushal Konwar Stadium



'জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প - ২'ৰ অধীনত সৰুপথাৰ মহাবিদ্যালয়ত বাটৰ নাট প্ৰদৰ্শিত



ভাৰোত্তোলন চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য



*'ৰেংমা ভাষাঃ এটি ৰূপতাত্ত্বিক অধ্যয়ন'* শীৰ্ষক গৱেষণাৰ বাবে অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী চয়নিকা গোহাঁইক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰদান কৰে সন্মানীয় ডক্টৰেট ডিগ্ৰী।

**প্ৰতিবিম্ব ই-বাৰ্তাৰ** এই সংখ্যাৰ সম্পাদনা সমিতিঃ
মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
উপদেষ্টাঃ ড° ববিতা দত্ত
সম্পাদকঃ সত্যব্ৰত দত্ত
সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া
সহঃ সম্পাদকঃ যুগল মেধি, কাৰিকৰী ব্যৱস্থাপনা ঃ যুগল মেধি